# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-JAN-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————

ছুইজাৰলেণ্ডৰ ডাভ'ছত অনুষ্ঠিত ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামৰ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে দেশখনলৈ যোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি জুৰিখত ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থাৰমান চন্মুগৰত্নমক সাক্ষাৎ কৰি মত বিনিময় কৰে। মুখ্যমন্ত্ৰীগৰাকীক জুৰিখ বিমানবন্দৰত দেশখনত থকা প্ৰবাসী ভাৰতীয়সকলে আদৰণি জনায়। ড০ শৰ্মাৰ সৈতে এই সন্মিলনত অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডু, কেন্দ্ৰীয় মন্ত্ৰী ৰামমোহন নাইডু আৰু বিশ্ববেংকৰ অধ্যক্ষ অজয় বাংগায়ো অংশ লৈছে। অসমৰ প্ৰতিনিধি হিচাপে মুখ্যমন্ত্ৰী ড০ শৰ্মাই সন্মিলনত অংশগ্ৰহণৰ সুযোগ লাভ কৰাটো তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচিত হৈছে। সন্মিলনত অংশগ্ৰহণৰ পূৰ্বে এটা ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে বিশ্ব অৰ্থনৈতিক মঞ্চৰ সন্মিলনত প্ৰথমবাৰৰ বাবে অসমৰ অংশগ্ৰহণৰ জৰিয়তে গোলকীয় বিনিয়োগকাৰীসকলক আকৰ্ষণৰ প্ৰয়াস কৰা হৈছে বুলি উল্লেখ কৰে।

**বাইট (চি এম)**

এই ফ'ৰামত অংশগ্ৰহণৰ জৰিয়তে অসমে আৰ্থিক ক্ষেত্ৰত অংশীদাৰিত্ব শক্তিশালী কৰা, বিনিয়োগ আকৰ্ষণ কৰা, স্থায়ী উন্নয়ন আৰু প্ৰযুক্তিগত উদ্ভাৱনত ৰাজ্যখনক আগশাৰীলৈ লৈ যোৱাৰ দিশত সহায়ক হ'ব। মুখ্যমন্ত্ৰীয়ে এই ফ'ৰামত কমেও ১৭ খন বৈঠকত অংশ লোৱাৰ লগতে কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰাৰ কথা। সন্মিলনৰ ৫৬ সংখ্যক এই বাৰ্ষিক বৈঠকত বিশ্বৰ ৩ হাজাৰৰো অধিক নেতাই অংশগ্ৰহণ কৰাৰ কথা আছে। অহা ২৩ জানুৱাৰীত সন্মিলনৰ সামৰণি পৰিব।

০০০০০০

ৰাজ্যৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি ধেমাজি জিলাত কেইবাটাও অনুষ্ঠানত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে গোগামুখৰ মইনাপাৰাত আয়োজিত এটা অনুষ্ঠানত লোক নিৰ্মাণ বিভাগে নিৰ্মাণ কৰা চাৰিটা পথ ৰাইজলৈ উৎসৰ্গা কৰে। মুখ্যমন্ত্ৰী পকী পথ নিৰ্মাণ আঁচনিৰ অধীনত চাৰি কোটিৰো অধিক টকা ব্যয় সাপেক্ষ মইনাপাৰাৰ পৰা দীঘলী পথাৰ অভিমুখী পথ, চুতিয়াপাৰাৰ পৰা দক্ষিণ নলবাৰী এল পি স্কুল, চেতিয়াগাঁও তিনিআলিৰ পৰা আয়াং তিনিআলি আৰু বাডুলুকাৰ পৰা কমাৰচলালৈ যোৱা চাৰিটা পথ মুকলি কৰে। মন্ত্ৰীগৰাকীয়ে টাইকোৱানডো সংস্থাৰ অধীনত ধেমাজি টাইকোৱানডো একাডেমীয়ে আয়োজন কৰা টাইকোৱানডো প্ৰতিযোগিতা উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে খেলুৱৈসকলক উৎসাহ যোগোৱাৰ লগতে এই প্ৰতিযোগিতাৰ পৰাই ৰাজ্য তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ ওলাব বুলি আশা প্ৰকাশ কৰে। ৰাজ্যৰ ৭ খন জিলাৰ ৪ শতাধিক প্ৰতিযোগীয়ে এই প্ৰতিযোগিতাত অংশ লৈছে। ডাঃ পেগুৱে অসম ফুটবল সন্থাৰ আমন্ত্ৰণমৰ্মে ২১ জানুৱাৰীৰ পৰা ৮ ফেব্ৰুৱাৰীলৈ জিলাখনত হ'বলগীয়া সন্তোষ ট্ৰফীৰ মূল ৰাউণ্ডৰ খেলসমূহৰ প্ৰস্তুতিৰ বুজ লয়। তেওঁ ছেমি ফাইনেল আৰু ফাইনেল খেলৰ বাবে সাজু কৰা জিলাখনৰ দেউৰী বিলৰ নিৰ্মিয়মান ক্ৰীড়া প্ৰকল্প পৰিদৰ্শন কৰে। ১২ টা দলে অংশ ল'বলগীয়া এই প্ৰতিযোগিতাৰ উদ্বোধনী খেলত চিলাপথাৰ ষ্টেডিয়ামত ঘৰুৱা দল অসম তামিলনাডুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

রাজ্যখনৰ অন্যতম ৰেডিঅ’ শ্ৰোতা সংঘ- অনাতাঁৰ মৰম আকলুৱা পৰিয়ালৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আজি আকাশবাণীৰ সৈতে জড়িত কেইবাগৰাকীও ব্যক্তি আৰু শ্ৰোতাক বঁটা প্ৰদান কৰা হ’ব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ ঘোষিকা কৰবী হাজৰিকা, ডিব্ৰুগড় কেন্দ্ৰৰ ঘোষিকা ৰীতা গগৈ বৰা, যোৰহাট কেন্দ্ৰৰ ঘোষক দিগন্ত বৰা আৰু তেজপুৰ কেন্দ্ৰৰ ঘোষক ত্ৰৈলোক্য বৰাক বিশেষ বঁটা প্ৰদান কৰা হ’ব। ডিব্ৰুগড় কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত ঘোষক ৰূপজ্যোতি দুৱৰাক অনুষ্ঠান প্ৰযোজনাৰ বঁটা আৰু যুৱ সাংবাদিক নিৰঞ্জন দাসক আন দুটা বঁটা প্ৰদান কৰা হ’ব। কণ্ঠশিল্পী সংগীতা বৰঠাকুৰক ছৈয়দ ছাদুল্লা সোঁৱৰণী বঁটা আৰু সুৰকাৰ-গীতিকাৰ ৰাজেন গোহাঁইক জুবিন গাৰ্গ সোঁৱৰণী বঁটা প্ৰদান কৰা হ’ব। বিশ্বনাথৰ শৰৎ দুৱৰা, ধেমাজিৰ মাছখোৱাৰ অজিত দিহিঙীয়া আৰু যোৰহাটৰ জাঁজীৰ দিনেশ শৰ্মাক অনুৰাগী শ্ৰোতা বন্ধু বঁটা প্ৰদান কৰা হ’ব। ধেমাজিৰ মাছখোৱাৰ জোৰকটা সমন্বয় সংঘৰ প্ৰাংগণত আয়োজিত অনুষ্ঠানত আজি এই বঁটাসমূহ আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ’ব।

০০০০০০

রাজ্যৰ বহুকেইখন জিলাৰ লগতে মাজুলী জিলাত কালিৰে পৰা জাপানীজ এনকেফেলাইটিছৰ বিশেষ টীকাকৰণ অভিযান আৰম্ভ হৈছে। এই অভিযানত ১৫ৰ পৰা ৬৫ বছৰ বয়সৰ লোকসকলক সামৰি লোৱা হ’ব। এই প্ৰতিষেধক সম্পূৰ্ণভাৱে বিনামূলীয়া, নিৰাপদ। জিলাখনৰ মুঠ জনসংখ্যাৰ ৭২ হাজাৰ প্ৰাপ্তবয়স্ক লোকক লক্ষ্য নিৰ্ধাৰণ কৰি ৪৬৮ খন গাঁও তথা ৪৪ উপ-স্বাস্থ্যকেন্দ্ৰত মুঠ ৩৪৪টা প্ৰতিষেধক প্ৰদান কেন্দ্ৰ স্থাপনৰ লক্ষ্য লোৱা হৈছে। ইয়াৰে ভিতৰত ৪২৬ খন বিদ্যালয় আৰু ১২০টা অংগনৱাড়ী কেন্দ্ৰ সামৰি লোৱা হৈছে।

চৰাইদেউ জিলাতো কালিৰে পৰা জাপানীজ এনকেফেলাইটিছৰ বিশেষ টীকাকৰণ অভিযান আজি আৰম্ভ হৈছে। জিলাখনৰ স্বাস্থ্য বিভাগৰ উদ্যোগত আয়োজিত এই অভিযানৰ মূল লক্ষ্য হৈছে ১৫ৰ পৰা ৬৫ বছৰ বয়সৰ লোকসকলক এই ৰোগৰ পৰা সুৰক্ষিত কৰা। এই অভিযান ৩ সপ্তাহ ধৰি ধাৰাবাহিকভাৱে চলিব বুলি জিলা যুটীয়া স্বাস্থ্য সঞ্চালকে সদৰি কৰিছে। জিলাখনৰ মুঠ ২ লাখ ২১ হাজাৰ ২৮০ গৰাকী লোকক এই টীকা প্ৰদানৰ লক্ষ্য লোৱা হৈছে। জিলাখনৰ সকলো চৰকাৰী স্বাস্থ্য প্ৰতিষ্ঠান, উপ-স্বাস্থ্য কেন্দ্ৰ আৰু নিৰ্ধাৰিত টীকাকৰণ স্থানসমূহৰ উপৰিও গাঁৱে-ভূঞে বিশেষ শিবিৰৰ জৰিয়তে টীকা প্ৰদান কৰা হ’ব।

০০০০০০

মাজুলী জিলা কৃষি বিভাগৰ অধীনৰ জিলা কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সংস্থা চমুকৈ **আটমা**ৰ উদ্যোগত আজিৰে পৰা দুদিনীয়াকৈ গড়মূৰ সত্ৰ বংশীগোপাল নাট্য মন্দিৰ প্ৰাংগণত এখন কৃষক মেলাৰ আয়োজন কৰা হৈছে। এই মেলাত বিভিন্ন কৃষিজাত সামগ্ৰী আৰু কৃষি সঁজুলী প্ৰদৰ্শন কৰা হ’ব। তদুপৰি কৃষক আৰু কৃষি বিজ্ঞানীৰ মাজত মত বিনিময় আৰু প্ৰশিক্ষণ আদি কাৰ্যসূচীও অনুষ্ঠিত হ’ব।

০০০০০০

**সমাপ্ত**